# অসম আদিত্য

RNI REGN. No. : ASSASS/2019/78693
epaper.asomaditya.com
Portal : www.asomaditya.com
e-mail : asomaditya@gmail.com

**স্বাস্থ্য**

ৰক্তহীনতা প্ৰতিৰোধত কিচমিছ উপকাৰী। লোহিত ৰক্ত কণিকাৰ বাবে আটাইতকৈ আৱশ্যকীয় উপাদান তৈয়াৰ কৰাত ফলবিধে সহায় কৰে। যি শৰীৰত অক্সিজেন সৰবৰাহৰ বাবে অত্যাৱশ্যকীয়।

কাতি, ১৯৪৭ শক ■ সোমবাৰ, ১৭ নৱেম্বৰ, ২০২৫ ■ Asom Aditya, Dibrugarh, Monday, November 17, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰকাশিত ■ ডিব্ৰুগড় সংস্কৰণ

## মাকুমত ফুলিব পদুম! নিৰ্বাচনৰ বাবে সাজু হোৱাৰ আহ্বান দিলীপৰ



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১৬ নৱেম্বৰ ঃ** এখন বিকশিত অসমৰ স্বাৰ্থত বিজেপি দলৰ কৰ্মীসকলে আগন্তুক দিনত কাম কৰিব লাগিব। মাকুম বিধানসভা সমষ্টিত বিজেপিয়ে ২০২৬ৰ বিধানসভা নিৰ্বাচনত বিপুল ভোটত জয় লাভ কৰিব। কেৱল ২ পৃষ্ঠাত

### লাহোৱালত জাতীয় প্ৰেছ দিৱসত জ্যেষ্ঠ সাংবাদিক বিভাস দুৱৰাক সম্বৰ্ধনা



## গণতন্ত্ৰক শক্তিশালী কৰাত ভূমিকা আছে সাংবাদিকৰ ঃ ড° শইকীয়া

**ডিব্ৰুগড়, ১৬ নৱেম্বৰঃ** সাংবাদিকসকল হ'ল গুগল মেপৰ দৰে। গুগল মেপৰ জৰিয়তে আমি যেনেকৈ সঠিক পথেৰে গৈ নিজৰ লক্ষ্য স্থানত উপনীত হ'ব পাৰো, তেনেকৈ সাংবাদিকসকলেও সমাজখনক সঠিক ভাবে আগুৱাই নিয়াৰ ক্ষেত্ৰত মুখ্য ভূমিকা গ্ৰহণ কৰে। লাহোৱাল প্ৰেছক্লাবৰ উদ্যোগত ডিব্ৰুগড় জিলা সাংবাদিক সন্থা আৰু বৃহত্তৰ ডিব্ৰুগড় প্ৰেছক্লাবৰ সহযোগত অনুষ্ঠিত হোৱা জাতীয় প্ৰেছ দিৱসৰ মুকলি সভা আৰু ৬ পৃষ্ঠাত

